# সপোন

— জিতুমণি পাঠক



'ডাঙৰ হৈ আমি ডাক্তৰ হ'ম'— সৰুতে কোনোবাই সুধিলেই সি আৰু সুমনে সদায় তেনেদৰেই উচ্চস্বৰে ঘোষণা কৰিছিল। সুমন তাৰ ভনীয়েক। তাতকৈ কেইমিনিটমানৰ সৰু। ডাক্তৰ মানে সিহঁতৰ বাবে আছিল বগা সাজ-পোছাক, হাতত বেজী আৰু ডিঙিত ষ্টেথোস্কোপ। কিন্তু বুজন হৈ গম পাইছিল ডাক্তৰ মানে সেয়াই শেষ কথা নহয়। লাহে লাহে ডাক্তৰ হোৱাৰ আকৰ্ষণ তাৰ কমি আহিছিল। ভিতৰৰ মানুহটোৱেই ঘোষণা কৰিছিল এয়া তাৰ স্বপ্ন নহয়। তথাপি সুমনৰ লগত সুৰ মিল্লায়ে আছিল। কিন্তু সি গম পাইছিল ক্ৰমাত তাৰ স্বৰটো ক্ষীণ হৈ আহিছে। ক্ষীণ হৈ হৈ সেয়া এদিন একেবাৰে নাইকিয়াই হৈ থাকিল। এদিন যেতিয়া আকৌ তাহঁতক সোধা হৈছিল সেই আহুকলীয়া প্ৰশ্নটি সিদিনাখন সুমনৰ স্বৰ শুনি সি উচাপ খাই উঠিছিল। সুমন এজনী ডাক্তৰলৈ পৰিণত হৈছিল। তাৰ এনে লাগিছিল যে তাইৰ কণ্ঠৰ চোক পূৰ্বতকৈ তীব্ৰ হৈ উঠিছিল।

বাপেকে এদিন তাৰ ৰিজাল্ট ছিটখন হাতত লৈ ক'লে— 'ই গেলিল।' কেইমাহমান পাছত মাকে এদিন তাৰ কিতাপৰ মাজৰ পৰা সি লিখা কবিতাকেইটামান উলিয়াই হায়ে-বিয়ে লগালে। ই কাৰোবাৰ প্ৰেমত পৰিছে চাগে। ঘৰৰ নাক-কাণ কটালে। তথাপি মাক-দেউতাকে মেজিকৰ দৰে কিবা এটা সাংঘাতিক হোৱাৰ আশা মনৰ পৰা একেবাৰ মচি পেলোৱা নাছিল চাগে। কিন্তু মেট্ৰিকৰ ৰিজাল্টত ছেকেণ্ড ডিভিজনৰ মাৰ্ক্সকেইটা দেখাৰ লগে লগে তেওঁলোকৰ শেষ আশাকণো নিৰ্বাপিত হ'ল। মানুহবোৰে তাক আৰু একো নোসোধা হ'ল। সুধিব খুজিলেও মাক-দেউতাকে সুমনক আগুৱাই দিয়ে। তায়ো পূৰ্বৰ দৰে দীপ্ত স্বৰেৰে ঘোষণা কৰে 'ডাক্তৰ হ'ম'।

হঠাতে তাৰ এনে লাগিল যেন সকলো বন্ধনৰ পৰা সি মুক্ত হৈ গ'ল। এতিয়া তাৰ হাতত পৰ্যাপ্ত সময়। তাৰ হৃদয়ত গোট মাৰি আছে অলেখ সপোন। এতিয়াৰ পৰা আলফুলকৈ উলিয়াই আনিব এটি এটি সপোন। তিলতিলকৈ গঢ়িব নিজে বিচৰাধৰণৰ নিজৰ এক জীৱন; য'ত নাথাকিব কাৰো আৰোপিত স্বপ্নৰ বোজা। তাৰ কিয় জানো সুমনজনীলৈ হঠাতে বৰ বেয়া লাগি গ'ল। তাইৰো চাগে কিমান সপোন আছিল। কিন্তু মাক-দেউতাকৰ পূৰণ নোহোৱা সপোনবোৰৰ ভৰত তাইৰ সকলো স্বপ্ন পিষ্ট হৈ গ'ল। তাই চাগে আজীৱন ডাক্তৰৰ দৰে এনেকৈয়ে আওৰাই থাকিব আনৰ স্বপ্নক। আজি মাক-দেউতাকৰ, কাইলৈ হয়তো পতি বা সন্তানৰ।

ফোন ঃ ৯৮৫৪০-১৮১১৭